# সাধাৰন সেৱা কেন্দ্ৰ সমুহৰ যোগেদি পাছপৰ্ট সেৱাক গ্ৰাম্যাঞ্চল লৈয়ো আগোৱাই নিয়া হৈছে ।

ফেব্ৰুৱাৰী ২৮,২০১৪

১. কেন্দ্ৰীয় বহি পৰিক্ৰমা মন্ত্ৰনালয়ে চিএচচি,ই-গভাৰনেন্স চাৰ্ভিছেচ ইন্ডিয়া লিমিটিড যিটো ইলেকট্ৰনিকচ্ আৰু ইনফ'ৰমেশ্বন টেকনোলোজি বিভাগৰ দ্বাৰা আয়োজিত কৰা হৈছে (ডিই এন্ড ওৱাই) তাৰ সৈতে মিলিত ভাৱে সম্পূৰ্ণ প্ৰস্তুতিৰে প্ৰায় এক লাখ সাধাৰন সেৱা কেন্দ্ৰৰ(চিএচচি) বিশাল নেটৱৰ্কৰ জৰিয়তে দেশৰ গ্ৰাম্যঅঞ্চলত পাচপৰ্ট সম্পৰ্কীয় সেৱা আৰম্ভ কৰিবলৈ সাজু হৈছে ।এই প্ৰচেষ্টাৰ জৰিয়তে দেশত সৃষ্টি হোৱা ডিজিটেল বিভাজনৰ মাজত এক সাকোঁ গঢ়িবলৈ সহায়ক হব ।

২. ৰাষ্ট্ৰীয় ই-গভাৰনেন্স আচঁনিৰ (এনইজিপি)জৰিয়তে ভাৰত চৰকাৰে দেশৰ গ্ৰাম্য এলেকাত ১০০,০০০+(এক লাখ) ইন্টাৰনেট্ সক্ষম কেন্দ্ৰ স্থাপনৰ বাবে ২০০৬ চনৰ চেপ্তেম্বৰ মাহতে চিএচচি আচঁনিৰ বাবে মঞ্জুৰী প্ৰদান কৰিছিল । কৃষি,স্বাস্থ্য,শিক্ষা,বেংক বীমা,পেন্সন, ব্যৱহাৰিক বিল আদায় দিয়া, আমোদ প্ৰমোদ আদি দেশৰ গ্ৰাম্য নাগৰিক সকলৰ ঘৰৰ দুৱাৰত সেৱা আগবঢ়োৱাৰ অৰ্থে চৰকাৰ, ব্যক্তিগত খণ্ড আৰু সামাজিক খণ্ডৰ বাবে চিএচচি সমুহ কাৰ্য্যকৰী বিন্দু । এই সেৱা সমুহৰ থোপাটোত পাচপৰ্ট সেৱা এক অতিৰিক্ত সেৱা হিচাপে যোগ দিয়া হৈছে ।

৩. মন্ত্ৰনালয়ে পাছপৰ্ট সেৱাৰ অন্তৰ্গত পাছপৰ্ট ফ'ৰম ভৰোৱাৰ লগতে প্ৰয়োজনীয় মাননীৰ ধন জমা কৰা আৰু পাছপৰ্ট সম্পৰ্কীয় সেৱাৰ সাক্ষাৎৰ সময় বিছৰা বিষয়ৰ দৰে সকলো প্ৰক্ৰিয়া অন লাইন কৰাটো বাধ্যবাধকতা কৰিছে ।চিএচচি সমুহে পাছপৰ্টৰ বাবে গোহাৰী জনোৱা ফ'ৰম ভৰোৱা আৰু আপ লোড কৰাত,প্ৰয়োজনীয় মাননীৰ ধন জমা কৰাত(ডেৱিট/ক্ৰেডিট অথবা এচবিআইৰ ইন্টাৰনেট/চালানৰ

জৰিয়তে)সহায় কৰিব ।তাৰোপৰি ১০০ টকাতকৈ অধিক ব্যয় কৰিব নলগীয়াকৈ অতি সামান্য খৰচৰ দ্বাৰা যাতে পাছপৰ্ট বিচৰা সকলে পাছপৰ্ট সেৱা কেন্দ্ৰলৈ (চিএচকে)যাব পাৰে তেনে ধৰনে চিএচচি সমুহে সাক্ষাৎৰ সময় নিৰ্দ্ধাৰন কৰি দিয়াৰ ব্যৱস্থা কৰা হব ।সাক্ষাৎকাৰৰ নিৰ্দ্ধাৰিত সময়ত পাছপৰ্ট সেৱা কেন্দ্ৰত পাছপৰ্ট দৰ্খাস্ত জনোৱা ব্যক্তি গৰাকীয়ে নিজেই পাছপৰ্ট দাখিল কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে উপস্থিত হোৱাটো প্ৰয়োজন ।(এই প্ৰক্ৰিয়াত ডিজিটেল ফটো/বায়োমেট্ৰিকছ্, দৰ্খাস্তৰ সৈতে গাঠি দিয়া অন্যান্য তথ্য সমুহৰ পৰিক্ষা কৰা আৰু এই তথ্য সমুহৰ মঞ্জুৰী প্ৰদান কৰা অন্তৰ্ভূক্ত হৈ থাকে ।)সপ্তাহৰ শেষৰ দিনকাইটাকে ধৰি সপ্তাহৰ গোটেই কেইটা দিনটেই সাধাৰন সেৱা কেন্দ্ৰৰ জৰিয়তে উক্ত সহযোগিতা নিয়মিত ভাৱে আগবঢ়োৱা হব ।

৪. এই সেৱা অতি কম দিনৰ ভিতৰতে উত্তৰ প্ৰদেশ আৰু ঝাৰখণ্ডৰ ১৫ টা সাধাৰন সেৱা কেন্দ্ৰত ২০১৪ চনৰ মাৰ্চৰ দ্বিতীয় সপ্তাহৰ পৰা পাইলট প্ৰজেক্ত হিচাপে আৰম্ভ কৰা হব ।

৫. পাছপৰ্ট সেৱাৰ অধিক তথ্য জনাৰ বাবে পাছপৰ্ট ৱেবছাইটত (www.passportindia.com.in) অথবা ৰাষ্ট্ৰীয় ক’ল চেন্টাৰ(ব্যয় বিহীন নম্বৰত ১৮০০-২৫৮-১৮০০)যোগাযোগ কৰিব পাৰে ।

নতুন দিল্লী

ফেব্ৰুৱাৰী ২৮,২০১৪